**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-05-2026
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্য চৰকাৰে এহেজাৰ ৪৫৯ কোটি টকা ব্যয়ৰে গুৱাহাটীৰ কৃত্ৰিম বান নিয়ন্ত্ৰণৰ পৰিকল্পনা যুগুত কৰিছে। জি আই এছ্ আধাৰিত পয়ঃপ্ৰণালী আৰু বান ব্যৱস্থাপনা প্ৰকল্পৰ জৰিয়তে গুৱাহাটীক বান সহনশীল আৰু ভৱিষ্যমুখী মহানগৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যম যোগে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে নগৰীয়া বান সমস্যাৰ স্থায়ী সমাধান কৰি জনসাধাৰণৰ জীৱন সূচল কৰি তোলাৰ বাবে ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। এই প্ৰকল্পৰ অধীনত স্বয়ংচালিত ভৰলুমুখ পাম্পিং ষ্টেচন, স্মাৰ্ট পকী পয়ঃপ্ৰণালী আৰু নদী পুনৰুজ্জীৱিতকৰণৰ কাম কৰা হ'ব। তদুপৰি ভৰলু আৰু বাহিনী নৈ'ৰ অৱবাহিকাৰ উন্নয়নৰ বাবে ৫০০ কোটি আৰু চাৰে ৯০০ কোটি টকাৰো ব্যয়ৰে কাৰ্য ৰূপায়ন কৰা হ'ব।

oooo

কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ উপস্থিতিত আজি গুৱাহাটীত ব্ৰহ্মপুত্ৰ বোৰ্ডৰ উচ্চ ক্ষমতাসম্পন্ন পৰ্যালোচনা পৰিষদৰ চতুৰ্দশ বৈঠক অনুষ্ঠিত হয়। কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু জলশক্তি দপ্তৰৰ ৰাজ্য মন্ত্ৰী ৰাজ ভূষণ চৌধুৰীও এই অনুষ্ঠানত উপস্থিত থাকে। তদুপৰি কেন্দ্ৰীয় চৰকাৰ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ শীৰ্ষ বিষয়া আৰু কাৰিকৰী বিশেষজ্ঞইও বৈঠকত অংশ লয়।

এই বৈঠকখনত ত্ৰয়োদশ বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তসমূহ ৰূপায়ণৰ স্থিতি পৰ্যালোচনা কৰাৰ উপৰি নদী অৱবাহিকা ব্যৱস্থাপনা পদক্ষেপৰ অগ্ৰগতিৰ বুজ লোৱা হয়। ইয়াৰ লগতে ব্ৰহ্মপুত্ৰ বোৰ্ডৰ সামগ্ৰিক কামকাজৰ মূল্যায়ণ কৰি ব'ৰ্ডৰ ভৱিষ্যত কাম-কাজৰ ৰূপৰেখা প্ৰস্তুত কৰা সন্দৰ্ভত আলোচনা কৰা হয়। তদুপৰি এই বৈঠকত বহনক্ষম জলসংৰক্ষণৰ প্ৰচাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ পৰম্পৰাগত আৰু থলুৱা জল ব্যৱস্থাপনা পদ্ধতি সম্পৰ্কীয় গ্ৰন্থ আৰু তথ্যচিত্ৰও মুকলি কৰা হয়। বৈঠকত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে ব্ৰহ্মপুত্ৰ ব'ৰ্ডে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল আৰু পশ্চিমবংগত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি আহিছে।

উল্লেখযোগ্য যে, ব্ৰহ্মপুত্ৰ বোৰ্ডৰ এই উচ্চ ক্ষমতাসম্পন্ন পৰ্যালোচনা পৰিষদৰ পুনৰ গঠনৰ পাছত এই বৈঠকে বিশেষ তাৎপৰ্য বহন কৰিছে।

oooo

কামৰূপ জিলাৰ আমিনগাওঁস্থিত সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি দীনদয়াল অন্ত্যোদয়া যোজনা ৰাষ্ট্ৰীয় গ্ৰামীন জীৱিকা অভিযান আঁচনিৰ অধীনত ৭১ গৰাকী ডিজি পে সখীক লেপটপ বিতৰণ কৰা হয়। ৰাজ্য চৰকাৰে গ্ৰামাঞ্চলৰ একেবাৰে শেষৰজন ব্যক্তিলৈকে ডিজিটেল বেংকিং সেৱা আগবঢ়াবলৈ ৰখা অব্যাহত প্ৰয়াসৰ অংশ স্বৰূপে এই পদক্ষেপ গ্ৰহণ কৰা হয়।

০০০০

দূৰ্নীতি নিবাৰণী আৰু তদাৰকী সঞ্চালকালয়ে আজি কোকৰাঝাৰৰ পৰ্বতঝোৰাত অভিযান চলাই পৰ্বতঝোৰাৰ মাণ্ডলিক বন বিষয়া অবিনাশ বসুমতাৰীক উৎকোচ লোৱাৰ অভিযোগত আটক কৰে। বিষয়াজনে এজন ব্যক্তিৰ পৰা ২ লাখ টকা উৎকোচ লোৱাৰ সময়তে তেওঁক আটক কৰা হয়। সম্প্ৰতি বিষয়াগৰাকীক অধিক তথ্য আহৰণৰ বাবে জেৰা কৰি থকা হৈছে।

০০০০

সেনাবাহিনীত ২০২৭ বৰ্ষৰ বাবে অগ্নিবীৰ, জে চি অ' আৰু আৰ অ' নিযুক্তিৰ বাবে সৰ্বভাৰতীয় অনলাইন সমূহীয়া প্ৰৱেশ পৰীক্ষা চি ই ই, ২০২৬ অহা ১ জুনৰ পৰা ১২ জুনলৈ অনুষ্ঠিত হ'ব। গুৱাহাটীৰ নাৰেংগীৰ সেনা নিযুক্তি কাৰ্যালয়ে এই কথা ঘোষণা কৰিছে।

নিযুক্তিৰ প্ৰক্ৰিয়াৰ বাবে নাম পঞ্জীয়ন কৰা প্ৰাৰ্থীসকলে পৰীক্ষা আৰম্ভ হোৱাৰ ১৪ দিন পূৰ্বে সেনাবাহিনীৰ অফিচিয়েল নিযুক্তি ৱেবছাইট joinindianarmy.nic.in ৰ পৰা প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব।

পঞ্জীয়নকৃত সকলো প্ৰাৰ্থীয়ে তেওঁলোকৰ প্ৰৱেশ পত্ৰসমূহৰ প্ৰিণ্টআউট ৩১ মে'ৰ পূৰ্বে ল'ব লাগিব, কিয়নো সমূহীয়া প্ৰৱেশ পৰীক্ষাত উপস্থিত থকাৰ বাবে প্ৰৱেশ পত্ৰ থকাটো বাধ্যতামূলক। নিযুক্তি প্ৰক্ৰিয়াৰ সৈতে জড়িত শেহতীয়া তথ্য, পৰীক্ষা সম্পৰ্কীয় নিৰ্দেশনা আৰু অন্যান্য গুৰুত্বপূৰ্ণ অধিসূচনাৰ বাবে প্ৰাৰ্থীসকলক নিয়মীয়াকৈ অফিচিয়েল ৱেবছাইট চাবলৈ পৰামৰ্শ দিয়া হৈছে।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত সপ্তাহযোৰা কাৰ্যসূচীৰে আয়োজিত জনজাতি গৌৰৱ উৎসৱৰ অংশ হিচাপে আজি কামৰূপ মহানগৰ জিলাৰ ডিমৰীয়া সমজিলাত জনজাতীয় সমাজৰ সমৃদ্ধ সংস্কৃতি, ঐতিহ্য, পৰম্পৰা আৰু জাতি গঠনত তেওঁলোকৰ অৱদানক সন্মান জনোৱা হয়।

শিৱসাগৰ জিলাতো জনজাতি গৌৰৱ উৎসৱৰ অংশ হিচাপে জনভাগিদাৰী অভিযানৰ অধীনত ডিমৌ উন্নয়ন খণ্ডৰ অন্তৰ্গত পশ্চিম পানীদিহিং গাওঁ পঞ্চায়তত জনজাতীয় লোকসকলৰ কল্যানৰ অৰ্থে সজাগতামূলক আৰু জনহিতকৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। বৰপেটা জিলাতো আজি চেঙা উন্নয়ন খণ্ডৰ অন্তৰ্গত সুবাত জনভাগিদাৰীৰ অভিযানৰ অধীনত বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। সুবা ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত এই কাৰ্যসূচীত আজি অঞ্চলটোৰ বিভিন্ন বয়সৰ জনজাতীয় লোকসকলৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। শতাধিক লোকে এই শিবিৰত অংশগ্ৰহণ কৰে। ইয়াৰ লগতে আজি কৃষি বিভাগৰ পৰাও এটা সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। নগাওঁ জিলাত জনজাতি গৌৰৱ উৎসৱৰ লগত সংগতি ৰাখি জনভাগিদাৰী অভিযানৰ অধীনত বিভিন্ন ঠাইত ৰাজহুৱা সভা আৰু সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। বগৰীগুৰি আৰু ৰহাত জল জীৱন আঁচনি, শিক্ষাৰ ক্ষেত্ৰত বিনামূলীয়া কিতাপ আৰু খাদ্য, কৃষি আৰু স্বাস্থ্য খণ্ডত চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহৰ বিষয়ে জনসাধাৰণক অৱগত কৰা হয়। বাক্সা জিলাতো জনজাতীয় গৌৰৱ উৎসৱৰ কাৰ্যসূচীত কালিৰে পৰা বিভিন্ন সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। ০০০

০০০০

ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আয়োজিত তৃতীয় বাৰ্ষিক চিদানন্দ শইকীয়া সোঁৱৰণি ১৩ বছৰ অনুৰ্ধ আন্তঃ প্ৰশিক্ষণ কেন্দ্ৰ ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন আজি অনুষ্ঠিত হয়। প্ৰতিযোগিতাত নামৰূপ টাউন ক্লাৱ

ফুটবল একাডেমী ক্লাৱে যদু শ্যাম ফুটবল প্ৰশিক্ষণ কেন্দ্ৰক ৩-২ গলৰ ব্যৱধানত পৰাস্ত কৰি চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰে। অনুষ্ঠানত ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ড০ চৈকত পাত্ৰ, ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সভাপতি নিৰঞ্জন শইকীয়া, বিষয়ববীয়াসকল আৰু ট্ৰফী দাঁতা বৰ্গৰ পৰিয়ালৰ লোক উপস্থিত থাকে। ০০০

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰত লক্ষ্ণৌ চুপাৰ জায়েণ্টছে- ৰাজস্থান ৰয়েলছক জয়ৰ বাবে ২২১ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। লক্ষ্ণৌ চুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেটৰ বিনিময়ত ২২০ ৰাণ সংগ্ৰহ কৰে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনক সাক্ষাৎ কৰে। সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে সভাপতিগৰাকীৰ সৈতে বিভিন্ন সাংগঠনিক বিষয় আৰু সংকল্প পত্ৰ ৰূপায়ণৰ ৰূপৰেখা সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দুষ্যন্ত কুমাৰ গৌতমৰ সৈতেও আলোচনা মিলিত হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ